**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-10-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

-------------------

নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি উচ্চ শিক্ষা লাভৰ বাবে ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ডঃ শৰ্মাই তেওঁৰ ভাষণত কয়, যে ২০২৪-২৫ বৰ্ষত এই আঁচনিৰ অধীনত এক লাখ ৬০ হাজাৰ ছাত্ৰীলৈ ১৩৩ কোটি টকা মোকলাই দিয়াৰ বিপৰীতে ২০২৫-২৬ বৰ্ষত ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ কয়, যে উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালৰ মাতৃত্ব প্ৰতিৰোধ, প্ৰতিগৰাকী কন্যা শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সুনিশ্চিত হৈছে। তেওঁ ভাষণ প্ৰসংগত বাল্যবিবাহৰ ঘটনাৰ পৰা ৰাজ্যৰ কন্যাসকলক সম্পূৰ্ণৰূপে মুক্ত কৰাৰ দৃঢ় সংকল্পৰ কথা দোহাৰে। ইয়াৰ উপৰি ৰাজ্যত নাৰী তথা ছোৱালীৰ মৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি আন কেইবাগৰাকী বিধায়ক উপস্থিত আছে।

ৰাজ্যৰ বিভিন্ন জিলাতো আজি এই আঁচনিৰ অধীনত চেক বিতৰণ কৰা হয়। **নলবাৰী** মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ১০ গৰাকী ছাত্ৰীক আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰে। জিলাখনৰ ১২ হাজাৰ ছাত্ৰীক এইবাৰ এই আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে।

মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত **গোৱালপাৰা** জিলাৰ ১২ হাজাৰৰো অধিক ছাত্ৰীক সামৰি লোৱা হৈছে। জিলা আয়ুক্ত প্ৰদীপ টিমুঙে আজি পশ্চিম গোৱালপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত কাৰ্যসূচীত ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰে। বাল্য বিবাহ ৰোধ তথা কন্যাৰ শিক্ষাৰ ক্ষেত্ৰত এক বিশেষ জাগৰণ হিচাপে পৰিগণিত হোৱা এই আঁচনিৰ অধীনত **মৰিগাঁও** জিলাৰ ভালেমান ছাত্ৰীক চেক বিতৰণ কৰা হয়। আজি জাগীৰোডৰ জাগী উচ্চতৰ মাধ্যমিক খেলপথাৰত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী পীযূষ হাজৰিকা উপস্থিত থাকে ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰে। ভাষণ প্ৰসংগত তেওঁ এই আঁচনিয়ে ছাত্ৰীসকলৰ ভৱিষ্যত সুৰক্ষিত কৰিব বুলি মত প্ৰকাশ কৰে। **বজালী** জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মুঠ ৫ হাজাৰ ২১৩ গৰাকী ছাত্ৰীক আজি এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত জিলা আয়ুক্ত মৃদুল কুমাৰে ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰে। **বৰপেটা** জিলাৰ ১৮ হাজাৰ ৩৪৯ গৰাকী ছাত্ৰীক এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। এই উপলক্ষে আজি জিলাখনৰ ৮২ খন শিক্ষানুষ্ঠানত বিশেষ

অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰপেটা ৰোডৰ হাউলী মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী ৰণজিত কুমাৰ দাস উপস্থিত থাকে। ভাষণ প্ৰসংগত তেওঁ এই আঁচনিখন ৰাজ্যৰ অন্যতম শ্ৰেষ্ঠ আঁচনি বুলি অভিহিত কৰে। **তামুলপুৰ** জিলাৰ ছাত্ৰীসকলকো আজি এই আঁচনিৰ চেক বিতৰণ কৰা হয়। তামুলপুৰ বাণিজ্য মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত বিটিচিৰ দৰংগাজুলিৰ পাৰিষদ বিজিত গৌৰা নাৰ্জাৰীয়ে ১৬৯ গৰাকী ছাত্ৰীক চেক বিতৰণ কৰে। তামুলপুৰ মহাবিদ্যালয়ত বিধায়ক জলেন দৈমাৰী আৰু তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত কাৰ্যসূচীত প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰীয়ে ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰে।

০০০০

অসম বিধানসভাৰ শীতকালীন অধিৱেশন দিশপুৰত অহা ২৫ নৱেম্বৰত আৰম্ভ হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া এইবাৰৰ অধিৱেশনত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ উপৰি গুৰুত্বপূৰ্ণ প্ৰতিবেদন দাখিল কৰা হ'ব। ৰাজ্য চৰকাৰে বিধানসভাৰ শীতকালীন অধিৱেশনত লাভ জেহাদ, বহু বিবাহৰ বিৰুদ্ধে বিধেয়ক আৰু সত্ৰৰ সংৰক্ষণ সন্দৰ্ভত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে এই বিষয়ে প্ৰকাশ কৰিছে। তদুপৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ লগতে নেলী হত্যাকাণ্ডক লৈ গঠন কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদন বিধানসভাত দাখিল কৰা হ'ব। একেদৰে চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান আৰু অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ বাগিচাৰ শিক্ষাৰ্থীসকলৰ বাবে ৪ খনকৈ আসন সংৰক্ষণ কৰাৰ বাবে বিধানসভাত বিধেয়ক উত্থাপন কৰা হ'ব।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ষট্ পূজা পালন কৰা হৈছে। এই উপলক্ষে ভক্তসকলে নৈৰ ঘাটত নৈবদ্য আগবঢ়াই আৰাধনা কৰিবলৈ সমবেত হৈছে। গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত ষট পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ ব্ৰহ্মপুত্ৰৰ কছাৰীঘাটত আজি বিয়লিৰ পৰা অগণন লোকে ফল-মূল, পিঠাপনা আদি আগবঢ়াই অস্তমিত সূৰ্য্য দেৱতাক আৰাধনা কৰিছে। কাইলৈ পুৱাও উদিত সূৰ্য্যক ভক্তসকলে আৰাধনা কৰিব। কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তত ষট পূজা পালন কৰা হৈছে। আমিনগাওঁৰ শৰাইঘাট দলঙৰ সমীপত ব্ৰহ্মপুত্ৰৰ পাৰত আজি বহু লোক সমবেত হৈ এই পূজা সম্পন্ন কৰিছে। গুৱাহাটী মহানগৰীৰ পাণ্ডু ঘাট, পানবজাৰ, উজানবজাৰ, খাৰঘুলিকে ধৰি ভিন্ন অঞ্চলত ব্ৰহ্মপুত্ৰৰ পাৰত সমবেত হৈ ভক্তসকলে অস্তমিত সূৰ্য্যলৈ নৈবদ্য আগবঢ়ায়। ষট পূজা উপলক্ষে গুৱাহাটীৰ আৰক্ষী উপ-আয়ুক্ত কাৰ্যালয়ে আজি আৰু কাইলৈ মহানগৰীখনত যানবাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি গুৱাহাটী মহানগৰীত এই সময়ছোৱাত সামগ্ৰী পৰিবাহী গধূৰ বাণিজ্যিক বাহন আৰু অন্য গধূৰ বাহন প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। অৱশ্যে মাছখোৱা অঞ্চলত পূজাৰ সামগ্ৰী আৰু ভক্তসকলক কঢ়িয়াই নিয়া বাহনসমূহ চলাচলত অনুমতি দিয়া হৈছে।

০০০০

মিজোৰামে দেশৰ ভিতৰত আটাইতকৈ কম দুৰ্নীতি হোৱা ৰাজ্যৰ তালিকাত দ্বিতীয় স্থান দখল কৰিছে। এই তালিকাত লাক্ষাদ্বীপ প্ৰথম স্থানত আছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পু লালদুহ'মাই সতৰ্কতা সজাগতা সপ্তাহ ২০২৫ উপলক্ষে এই কথা ঘোষণা কৰে। এই সফলতাৰ ক্ষেত্ৰত ৰাজ্যখনৰ চৰকাৰৰ সুপ্ৰশাসন আৰু স্বচ্ছতাৰ নীতিয়ে অৰিহণা যোগাইছে বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁ লগতে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিয়াৰ

ক্ষেত্ৰত ৰাজ্যখনৰ জনসাধাৰণৰ সমন্বিত আৰু দায়বদ্ধ প্ৰচেষ্টাৰ কথাও উল্লেখ কৰে। তেওঁ কয়, যে চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে ৩১ অক্টোবৰ পৰ্যন্ত এই সপ্তাহ পালন কৰা হয়। ইয়াৰ অধীনত দুৰ্নীতিৰ বিৰুদ্ধে নাগৰিকৰ মনত শক্তিশালী স্থিতি গঢ় দিয়াৰ বাবে প্ৰয়াস কৰা হয়।

০০০০

বিশিষ্ট অভিনেতা নিপন গোস্বামীৰ আজি মৃত্যু তিথি উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শ্ৰদ্ধা জনাইছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যৰ অভিনয় জগতৰ প্ৰখ্যাত শিল্পীগৰাকীৰ অভিনয়, প্ৰতিভাৰ সমান্তৰালকৈ তেখেতৰ ব্যক্তিত্বও আকৰ্ষিত কৰিছিল বুলি মত প্ৰকাশ কৰে। ড০ শৰ্মাই **ককাদেউতা নাতি আৰু হাতী** চলচ্চিত্ৰখনত অভিনয় কৰাৰ সময়ছোৱাত তেখেতৰ সান্নিধ্য লাভ কৰাৰ কথা উল্লেখ কৰে। উল্লেখযোগ্য যে ২০২২ চনৰ ২৭ অক্টোবৰত ৮০ বছৰ বয়সত অভিনেতাগৰাকীৰ মৃত্যু হৈছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ